# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 28-03-2026 **Time :** 11.00Hrs.

বিধানসভা নিৰ্বাচনলৈ মাজত ১১ দিন বাকী থকা অৱস্থাত  ৰাজ্যজুৰি ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰ হৈ উঠিছে। শাসনত থকা বিজেপি আৰু প্ৰধান বিৰোধী দল কংগ্ৰেছৰ লগতে অন্যান্য ৰাজনৈতিক দলসমূহৰ প্ৰাৰ্থী-নেতাসকলে ভোটদাতাৰ মন আকৰ্ষণ কৰাৰ বাবে চেষ্টা চলাইছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ মাৰ্চৰ দুপৰীয়া ১ বজাত ৰাজ্যৰ জনসাধাৰণৰ সৈতে ভাৰ্চুৱেলি সংযুক্ত হ'ব। এই ভাৰ্চুৱেল বাৰ্তালাপত প্ৰধানমন্ত্ৰী গৰাকীয়ে বিজেপি আৰু প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। সেই উদ্দেশ্যে দলীয় কৰ্মী তথা ৰাজ্যৰ জনসাধাৰণক নমো এপ ডাউনলোড কৰাৰ লগতে পঞ্জীয়ন কৰাৰ বাবে ৰাজ্যিক বিজেপিয়ে আহ্বান জনাইছে। এই এপ ডাউনলোড কৰি পঞ্জীয়ন কৰা সকলেহে প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে পোনপটীয়াকৈ সংযুক্ত হ'ব পাৰিব। উল্লেখযোগ্য যে, বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১, ৫ আৰু ৬ এপ্ৰিলত অসমত প্ৰচাৰ চলাব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি আৰু কাইলৈ ৰাজ্যখনত প্ৰচাৰ চলাব। গৃহমন্ত্ৰীগৰাকীয়ে আজি বিয়লি গুৱাহাটীত ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। তেওঁ মধ্য গুৱাহাটীৰ প্ৰাৰ্থী বিজয় গুপ্তাৰ হৈ প্ৰচাৰ চলাব। শ্ৰী শ্বাহে লগতে টিহু সমষ্টিৰ চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত এখন জনসভাত অংশ ল'ব।

কংগ্ৰেছ আৰু বিৰোধী মিত্ৰদলসমূহৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলেও ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰচাৰ চলাই আছে। কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কাইলৈ লখিমপুৰত প্ৰচাৰ অভিযান চলাব। দলৰ ৰাজ্যিক সভাপতি গৌৰৱ গগৈয়ে মাহমৰা সমষ্টিত বিৰোধী ঐক্যৰ প্ৰাৰ্থী জ্ঞানদীপ মোহনৰ হৈ প্ৰচাৰ কাৰ্যসূচীত অংশ লয়। দলৰ নেতা ৰিপুণ বৰাই শোণিতপুৰ জিলাৰ জীয়াগাভৰুত নিৰ্বাচনী কাৰ্য্যালয় উদ্বোধন কৰাৰ লগতে প্ৰচাৰ কাৰ্য্যসূচীতো অংশ লয়। অসম জাতীয় পৰিষদৰ নেতা লুৰিণজ্যোতি গগৈয়েও খোৱাং সমষ্টিৰ লগতে অন্যান্য স্থানত প্ৰচাৰ অব্যাহত ৰাখিছে।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনো ২৯ আৰু ৩০ মাৰ্চত প্ৰচাৰ চলাবলৈ অসমলৈ আহিব।

০০০০০০০

ৰাজ্যৰ আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে চলি থকা প্ৰস্তুতি সন্দৰ্বত কালি ডিব্ৰুগড় জিলাত অনুষ্ঠিত এখন ভিডিঅ' কনফাৰেন্সত জিলাখনৰ সাধাৰণ পৰ্য্যবেক্ষক টি এন ভেংকটেশে অংশগ্ৰহণ কৰে। পৰ্য্যবেক্ষকগৰাকীয়ে নিৰ্বাচনী প্ৰস্তুতি বুজ ল'বলৈ জিলা নিৰ্বাচনী কাৰ্য্যালয়ৰ বিভিন্ন শাখা পৰিদৰ্শন কৰে। তেওঁ প্ৰচাৰ মাধ্যমৰ কোষ বা মিডিয়া চেল পৰিদৰ্শন কৰি সংবাদ মাধ্যমৰ নিৰীক্ষণ তথা সমন্বয়ৰ বাবে কাম কৰা ব্যৱস্থা সমূহ পৰীক্ষা কৰে। ইয়াৰ উপৰি তেওঁ ব্যয় নিৰীক্ষণ কোষ ভ্ৰমণ কৰি নিৰ্বাচনী ব্যয় অনুসৰণ কৰাৰ বাবে চলি থকা ব্যৱস্থা সমূহৰ বুজ লয়।

০০০০০০০

অৰুণাচল প্ৰদেশৰ লেপাৰেদা জিলাত চিনাক্ত হোৱা পখিলাৰ নতুন প্ৰজাতি এটাক শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই **ইউথালিয়া জুবিনগাৰ্গী** নামেৰে নামকৰণ কৰা হৈছে। লগতে পখিলাৰ এই প্ৰজাতিবিধক স্থানীয়ভাৱে **বাছাৰ ডিউক** নামকৰণ কৰা হৈছে। ৰোচন উপাধ্যায় আৰু কালেশ সদাশিৱনে এই পখিলাবিধৰ আৱিষ্কাৰ কৰিছে। ৰাজ্যখনৰ বাটাৰফ্লাই মেন অৱ অৰুণাচল হিচাপে খ্যাত গৱেষক ৰোচন উপাধ্যায় আৰু ট্ৰাভাংকৰ নেচাৰেল হিষ্ট্ৰী ছ'চাইটীৰ কালেশ সদাশিৱনে ২০২৫ চনত কৰা ক্ষেত্ৰ জৰীপৰ সময়ত এই পখিলাবিধৰ চাৰিত্ৰিক বৈশিষ্ট্য অধ্যয়ন কৰি ইয়াক এটা নতুন পখিলা প্ৰজাতি হিচাপে আৱিষ্কাৰ কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে প্ৰচাৰ কৰি থকা **অসম বিধানসভা নিৰ্বাচন-২০২৬** শীৰ্ষক দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলৰ সৈতে হোৱা এটা সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানৰ আঁত ধৰিব পৰিস্মীতা দিহিঙ্গীয়াই।

০০০০০০০

চিৰাং জিলাৰ বিজনীত কালি আৰম্ভ হোৱা ৰাম নৱমী উৎসৱৰ আজি দ্বিতীয়টো দিন। বিজনীৰ কৃষক সেৱক সংঘৰ খেলপথাৰত এই উৎসৱ বৃহত্তৰ চিৰাং জিলা ৰাম নৱমী উদযাপন সমিতিৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় বজৰংগ দল তথা ৰাষ্ট্ৰীয় ছাত্ৰ পৰিষদৰ সহযোগত অনুষ্ঠিত হৈছে। উৎসৱৰ প্ৰথম দিনা কালি পতাকা উত্তোলনৰ লগতে ধৰ্মীয় শোভাযাত্ৰা উলিওৱা হয়। এই কাৰ্যসূচীত অঞ্চলটোৰ ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰি ভক্তিমূলক পৰিৱেশৰ সৃষ্টি কৰে।

০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ১৯ সংখ্যক সংস্কৰণ আজি সন্ধিয়া বেংগালুৰুত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ উদ্বোধনী খেলত আজি চেন্নাইৰ এম চিন্নাস্বামী ষ্টেডিয়ামত যোৱাবাৰৰ বিজয়ী ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। দুমাহজোৰা এই প্ৰতিযোগিতাখন অহা ৩১ মে'ত সমাপ্ত হ'ব।

ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে দলৰ নতুন অধিনায়ক ৰজত পাটিদাৰৰ নেতৃত্বত অভিযান আৰম্ভ কৰিব। ইপিনে অষ্ট্ৰেলিয়াৰ পেচাৰ পেট কামিন্স আঘাতৰ বাবে খেলৰ পৰা আঁতৰি থকাত ছানৰাইজাৰ্ছ হায়দৰাবাদক ঈষাণ কিষাণে নেতৃত্ব দিব।

০০০০০০০